**প্ৰশ্ন ঃ [redacted] সামাজিক সমূহ কাক বোলে? ইয়াৰ সংজ্ঞা দিয়া। সামাজিক সমূহৰ বৈশিষ্ট্য সমূহ আলোচনা কৰা।**

**উত্তৰ ঃ** সাধাৰণতে সামাজিক সমূহৰ অৰ্থ হ'ল সমাজৰ বিভিন্ন মানুহে একে উদ্দেশ্যৰে গঠন কৰা এটা গোটৰ সমষ্টি। সমাজতত্ত্ববিদ সকলে সমূহৰ অৰ্থ প্ৰদানৰ ক্ষেত্ৰত এটা গ্ৰহণযোগ্য সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। কিয়নো সমূহ শব্দটো পৰিয়াল, বন্ধু-বান্ধৱ, জাতি, ধৰ্ম আদি বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। কেতিয়াবা আকৌ সমগ্ৰ মানৱ জাতিকো সমূহ হিচাপে ব্যাখ্যা কৰা হয়। কেতিয়াবা আকৌ মাত্ৰ দুজন ব্যক্তিকো সমূহ আখ্যা দিয়া হয়। সামাজিক সমূহ হৈছে সমাজ জীৱনৰ পটভূমিস্বৰূপ। সমূহ হ'ব লাগিলে সেই সমূহৰ ব্যক্তিসকলৰ মাজত আন্তঃসম্বন্ধ অতি প্ৰয়োজনীয়। আমেৰিকাৰ বিখ্যাত সমাজতত্ত্ববিদ আলবিয়ন স্মলে ১৯০৫ চনতে সামাজিক সমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছিল। তেওঁৰ মতে সমূহ হৈছে কম বা বহুতো ব্যক্তিৰ সমষ্টি য'ত সমষ্টিৰ অন্তৰ্ভুক্ত ব্যক্তিসকলে পাৰস্পৰিক সম্পৰ্ক বজাই ৰাখে।

সামাজিক সমূহ সদায় সংগঠিত। সামাজিক সমূহ হ'ল দুই বা ততোধিক ব্যক্তিৰ এক সমষ্টি য'ত ব্যক্তিসকলৰ মাজত পাৰস্পৰিক সচেতনতা, ঐক্যৱদ্ধ মনোভাৱ, দলীয় দৃঢ়তা, আমিভাৱ, আবেগিক ঐক্যবদ্ধতা আদি দেখিবলৈ পোৱা যায়। সামাজিক সমূহ জৈৱিক সূত্ৰেও সৃষ্টি হয় আৰু সমাজৰ প্ৰয়োজনতো সৃষ্টি হোৱা দেখা যায়।

সামাজিক সমূহৰ সংজ্ঞা—

১। মেক আইভাৰ আৰু পেজৰ মতে, "পৰস্পৰ সামাজিক বান্ধোনত বান্ধ খাই থকা লোকসকলৰ যিকোনো এটা সমষ্টিয়ে হৈছে সামাজিক সমূহ।"

২। সমাজতত্ত্ববিদ আগবাৰ্ণ আৰু নিমকফৰ মতে, "দুই বা ততোধিক ব্যক্তি একেলগ হ'লে আৰু তেওঁ লোকৰ এজনে আনজনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে, সেই ব্যক্তি সমষ্টিকেই সামাজিক সমূহ বোলা হয়।"

Scanned with CamScanner

৩। সমাজতত্ত্ববিদ ই.এছ. বগাৰদাছৰ মতে, "সামাজিক সমূহ হৈছে দুজন বা ততোধিক ব্যক্তিৰ সমষ্টি, য'ত কিছুমান উমৈহতীয়া মনোযোগৰ উদ্দেশ্য থাকে, য'ত ইজনে সিজনক প্ৰেৰণা দিয়ে, য'ত উমৈহতীয়া উক্তি থাকে আৰু একে কাৰ্যত ব্যক্তি সকলে অংশ গ্ৰহণ কৰে"।

সামাজিক সমূহৰ বৈশিষ্ট্য—

১। **ব্যক্তিৰ সমষ্টি :** সামাজিক সমূহ গঠন হ'বলৈ হ'লে দুই বা ততোধিক ব্যক্তিৰ প্ৰয়োজন। এজন ব্যক্তিয়ে অকলে কেতিয়াও দল বা সমূহ গঠন কৰিব নোৱাৰে।

২। **পাৰস্পৰিক বুজাপৰা :** পাৰস্পৰিক বুজাপৰাকো সামাজিক সমূহৰ এক বৈশিষ্ট হিচাপে বিবেচনা কৰিব পাৰি। সমূহৰ সদস্যসকলে পৰস্পৰে পৰস্পৰৰ অধিকাৰ, কৰ্তব্য, দায়িত্ব আৰু ভূমিকা সম্পৰ্কে সজাগ হ'ব লাগে। পাৰস্পৰিক স্বীকৃতিয়ে সমূহৰ সদস্যসকলৰ আচৰণ নিৰ্ধাৰণ কৰে।

৩। **আমি ভাৱ :** 'আমিভাৱ' হ'ল সামাজিক সমূহৰ আন এক বৈশিষ্ট্য। সমূহৰ সদস্য-সকলৰ মাজত আমি-ভাৱ বা একতাৰ ভাৱ থাকে। এটা সমূহৰ সদস্যসকলে নিজৰ সমূহটোৰ আদৰ্শ বা ধাৰণাক শুদ্ধ বুলি জ্ঞান কৰে। সমূহৰ কোনো সদস্যৰ ব্যক্তিগত কাৰ্যকলাপে যাতে সমূহটোৰ ওপৰত কু-প্ৰভাৱ পেলাব নোৱাৰে তাৰ প্ৰতি সচেষ্ট থাকে।

৪। **একতা :** সমূহৰ সদস্য সকলৰ মাজত সাধাৰণতে একতাৰ ভাৱ দেখিবলৈ পোৱা যায়। সদস্যসকলে প্ৰত্যক্ষভাৱে এজন আনজনৰ লগত মাজে সময়ে বা প্ৰায়ে আন্তঃক্ৰিয়া স্থাপন কৰে আৰু সমূহৰ সমূহীয়া স্বাৰ্থ পূৰণ কৰিবৰ বাবে বিভিন্ন কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে। এজনে আনজনৰ কামত সহায় সহযোগিতা কৰাও দেখা যায়।

৫। **সামাজিক আন্তঃক্ৰিয়া :** সামূহিক জীৱনৰ এক বৈশিষ্ট্য হ'ল সামাজিক আন্তঃক্ৰিয়া। দুই বা ততোধিক ব্যক্তিৰ মাজত পাৰস্পৰিক সম্বন্ধ আৰু আন্তঃক্ৰিয়া সৃষ্টি হলেহে সামাজিক সমূহৰ সৃষ্টি হয়। সমূহ সৃষ্টি হ'ব লাগিলে বিভিন্ন গোষ্ঠীৰ সদস্য সকল পাৰস্পৰিকভাৱে সম্পৰ্কযুক্ত হোৱা প্ৰয়োজন।

৬। **আকাৰ :** সামাজিক সমূহ বিভিন্ন আকাৰৰ হ'ব পাৰে। দুজন ব্যক্তিৰদ্বাৰা এটা সামাজিক সমূহ গঠন হ'ব পাৰে বা বহুতো ব্যক্তিৰ দ্বাৰাও এটা সমূহ গঠন হ'ব পাৰে। উদাহৰণস্বৰূপে পৰিয়ালৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক দল, সমগ্ৰ মানৱ জাতিও একো একোটা সমূহ।

৭। **ব্যক্তিত্বৰ প্ৰভাৱ :** সামাজিক সমূহৰ আন এক বৈশিষ্ট্য হ'ল সদস্যসকলৰ ব্যক্তিত্বৰ বিকাশ আৰু প্ৰকাশ সাধন কৰা। সমূহীয়া জীৱনৰ বিভিন্নদলীয় কাৰ্যৰ জৰিয়তে সদস্য সকলে নিজৰ নিজৰ প্ৰতিভাৰ বিকাশ আৰু ব্যক্তিত্বৰ প্ৰকাশ কৰাৰ সুবিধা পায়।

৮। **পৰিৱৰ্তনশীলতা :** সামাজিক সমূহ স্থিৰ নহয়, ই গতিশীল। এই পৰিৱৰ্তনশীলতা কেতিয়াবা মন্থৰ বা কেতিয়াবা দ্ৰুত হব পাৰে। নতুন সদস্যৰ অৰ্ন্তভুক্তিয়ে সামাজিক

Scanned with CamScanner

সমূহৰ গঠন আৰু কাৰ্যব্যৱস্থাৰ পৰিৱৰ্তন কৰিব পাৰে। পৰিৱৰ্তিত সামাজিক অৱস্থাৰ পৰিপ্ৰেক্ষিততো সামাজিক সমূহৰ পৰিৱৰ্তন হোৱা দেখা যায়।

৯। **স্থায়িত্ব ঃ** সামাজিক সমূহ স্থায়ী নাইবা অস্থায়ী প্ৰকৃতিৰ। কিছুমান সমূহ যেনে- দৰ্শকৰ সমূহ, সমদলৰ সমূহ আদি অস্থায়ী প্ৰকৃতিৰ। ইয়াৰ বিপৰীতে পৰিয়াল, ধৰ্মীয় সমূহ, ৰাজনৈতিক দল আদি তুলনামূলকভাৱে স্থায়ী। সদস্যসকলৰ পৰিৱৰ্তন হ'লেও এই স্থায়ী সমূহবোৰ কোনো সমস্যা নোহোৱাকৈ চলি থাকে।

**প্ৰশ্ন ঃ [redacted] সামাজিক সমূহক প্ৰভাৱিত কৰা উপাদানবোৰ আলোচনা কৰা।**

**উত্তৰ ঃ** সমূহক প্ৰভাৱিত কৰা উপাদানবোৰ হ'ল —

১। **সামাজিক পৰিৱেশ ঃ** সামাজিক পৰিৱেশৰ প্ৰভাৱে সমূহৰ গঠনক সহায় কৰে। ব্যক্তিসকলে নিজৰ ব্যক্তিত্ব বিকশাই তোলাৰ এক মাধ্যম হ'ল সামাজিক পৰিৱেশ। সামাজিক পৰিৱেশত বিভিন্ন ব্যক্তিৰ সংস্পৰ্শত মানৱীয় আচৰণসমূহ বিকশাই তোলা সম্ভৱ। সেয়েহে মানুহে সমূহত জীৱন-যাপন কৰে।

২। **মনোবৈজ্ঞানিক উপাদান ঃ** মনোবৈজ্ঞানিক কাৰণৰ বাবেও মানুহে সমূহত জীৱন-যাপন কৰে। মানুহ সাধাৰণতে সংগপ্ৰিয়। চাহ-দোকানত চাহ খোৱা, চিনেমা চোৱা, ভ্ৰমণত যোৱা আদি সকলো কামতে মানুহে সংগ বিচাৰে। সমাজশাস্ত্ৰবিদ গিদিংছে ইয়াক এক ধৰণৰ সচেতনতা হিচাপে ব্যাখ্যা কৰিছে।

৩। **জৈৱিক উপাদান ঃ** অন্যান্য জীৱ-জন্তুৰ দৰে মানুহেও যৌনলিপ্সা চৰিতাৰ্থ কৰে, সন্তান জন্ম দিয়ে, পৰিয়ালৰ বংশ বৃদ্ধি কৰে। এনেবোৰ জৈৱিক উপাদানৰ বাবেও মানুহে সংঘবদ্ধ জীৱন-যাপন কৰে। ইয়াৰ উপৰিও মানৱ শিশুই জন্মৰ পিচৰ পৰাই নিজৰ তত্ত্বাৱধান লব নোৱাৰে। সেয়েহে পৰিয়ালৰ সদস্য সকলে শিশুসকলৰ যত্ন ল'ব লগা হয় আৰু বিকাশৰ প্ৰক্ৰিয়াৰে শিশুটিক আগুৱাই লৈ যায়।

৪। **আত্মীয়তাৰ বান্ধোন ঃ** আত্মীয়তাৰ বান্ধোনক জনপ্ৰিয়ভাৱে তেজৰ সম্পৰ্ক বুলি ক'ব পাৰি। তেজৰ সম্পৰ্ক থকা মানুহৰ মাজত সদায় আমি ভাৱৰ প্ৰচলন থাকে। তেওঁলোকৰ মাজত থকা সহানুভূতিশীলতা, একতা, উমৈহতীয়া সম্বন্ধ আদিৰ বাবে তেওঁলোকৰ মাজত একেলগে বাস কৰাৰ প্ৰৱণতা গঢ়ি উঠে। তেজৰ সম্পৰ্কই প্ৰাচীন কালত গোষ্ঠী জীৱন-যাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু বৰ্তমান উদ্যোগীকৰণ, নগৰীকৰণ আদিয়ে ইয়াৰ প্ৰভাৱ কমাই আনিছে।

৫। **সাংস্কৃতিক উপাদান ঃ** সাংস্কৃতিক উপাদানেও সমূহত জীৱন-যাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উমৈহতীয়া ভাষা, সংস্কৃতি, ঐতিহাসিক পটভূমি, ধৰ্মীয় বিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পৰম্পৰা, আদৰ্শ, মূল্যবোধ আদিয়ে মানুহক একগোটত অন্তৰ্ভুক্ত কৰায় আৰু এক নিৰ্দিষ্ট সমূহ এই সকল ব্যক্তিয়ে গঠন কৰে।

Scanned with CamScanner

৬। **ভৌগোলিক উপাদান** ঃ সমূহৰ গঠনত ভৌগোলিক উপাদানৰ প্ৰভাৱো অপৰিসীম। বিভিন্ন ভৌগলিক উপাদান যেনে- জলবায়ু, প্ৰাকৃতিক সম্পদ, মাটি, নদ-নদী, পাহাৰ, পৰ্বত আদিয়েও মানুহক সামাজিক সমূহৰ বান্ধোনত বান্ধ খুৱায়। ভাল আৰু সুবিধাজনক ভৌগোলিক পৰিবেশে মানুহক একেলগে বসবাস কৰিবৰ বাবে আকৰ্ষিত নকৰে। এনেবোৰ উদাহৰণে প্ৰমাণ কৰে যে সমূহত জীৱন-যাপন কৰাত ভৌগোলিক উপাদানৰ প্ৰভাৱ অপৰিসীম।

৭। **ধৰ্মীয় কাৰক** ঃ সামাজিকৰ লগতে মানুহ এক ধৰ্মীয় জীৱ। প্ৰাৰ্থনা কৰা, ভগৱানৰ স্তুতি কৰা, ভক্তিমূলক গীত গোৱা আদি একো একোটা ধৰ্মীয় অনুভৱ। এইবোৰে মানুহৰ মাজত একতা, সংহতি আৰু সহযোগিতা সৃষ্টি কৰে। সেয়েহে মানুহে সমূহত জীৱন-যাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে।

৮। **অন্যান্য উপাদান** ঃ ওপৰত উল্লেখিত উপাদান সমূহৰ বাহিৰেও উমৈহতীয়া শৈক্ষিক সম্পদ আদিয়েও সমূহৰ গঠনত বৰঙণি যোগায়।

**প্ৰশ্ন ১২। সামাজিক সমূহৰ শ্ৰেণীবিভাজন বা প্ৰকাৰবোৰ আলোচনা কৰা।**

**উত্তৰ** ঃ বিভিন্ন সমাজ শাস্ত্ৰবিদ সকলে আগবঢ়োৱা সামাজিক সমূহৰ শ্ৰেণীবিভাজনবোৰ তলত আলোচনা কৰা হ'ল—

১। **জেমছ্ ড্ৰেভাৰৰ শ্ৰেণীবিভাজন** ঃ ইংলেণ্ডৰ মনোবিজ্ঞানী জেমচ্ ড্ৰেভাৰে সামাজিক দৃষ্টিকোণেৰে সমূহক তিনিটা ভাগত ভাগ কৰিছে। যেনে- জুম সদৃশ, সংঘ সদৃশ আৰু সম্প্ৰদায় সদৃশ।

জুম সদৃশ সামাজিক সমূহ অস্থায়ী আৰু পৰিস্থিতি সাপেক্ষে। এই সমূহৰ ব্যক্তি সকলৰ মাজত সৃষ্টি হোৱা অনুভূতি, আবেগ, চিন্তা আদি অস্থায়ী সংঘ সদৃশ সামাজিক সমূহ হৈছে আনুষ্ঠানিক আৰু স্থায়িত্বশীল বিধৰ। এই প্ৰকাৰৰ সমূহত ব্যক্তি সকলে একে উদ্দেশ্য আগত ৰাখি উমৈহতীয়া ভাৱে কাৰ্য সম্পাদন কৰিবলৈ আগবাঢ়ে। এই সমূহত ব্যক্তিৰ অন্তৰ্ভুক্তি চৰ্তৰ ওপৰত প্ৰতিষ্ঠিত। আকৌ সম্প্ৰদায় সদৃশ সমূহ গঢ়ি উঠে একে ভৌগোলিক পৰিস্থিতিত বসবাস কৰা তেজৰ সম্বন্ধ থকা ব্যক্তি সকলৰ মাজত। এই সমূহত সদস্য সকলৰ মাজত মনৰ ভাৱ, অনুভূতি আৰু চিন্তা-ক্ৰিয়াৰ মাজত ঐক্য ভাৱ থাকে। এই সমূহ শক্তিশালী আৰু দীৰ্ঘস্থায়ী প্ৰকৃতিৰ।

২। **ডুৱাইট চেণ্ডাৰচনৰ শ্ৰেণীবিভাজন** ঃ সাংগঠনিক দৃষ্টি কোণৰ পৰা চেণ্ডাৰচনে সামাজিক সমূহক ইচ্ছাকৃত, ইচ্ছা বিৰুদ্ধ আৰু প্ৰতিনিধি মূলক নামৰ তিনিটা ভাগত ভাগ কৰিছে।

ইচ্ছাকৃত সমূহত এজন ব্যক্তিয়ে নিজৰ ইচ্ছাৰে সদস্যভুক্ত হ'ব পাৰে। তেওঁ নিজৰ ইচ্ছাৰে কোনো এটা সমূহৰ সদস্য হ'ব পাৰে আৰু কোনো এটা সমূহৰ পৰা

Scanned with CamScanner

সদস্য পদ বাতিল কৰিবও পাৰে। ইচ্ছা বিৰুদ্ধ সমূহ আত্মীয়তাৰ ওপৰত প্ৰতিষ্ঠিত। এই সমূহত ব্যক্তিসকলে কোনো ধৰণৰ ইচ্ছাৰ লগত সম্বন্ধ নৰখাকৈ সদস্যভুক্ত হয়, যেনে পৰিয়াল। প্ৰতিনিধিত্বমূলক সমূহত ব্যক্তিয়ে আন ব্যক্তিৰদ্বাৰা নিৰ্বাচিত হৈ নাইবা কোনোবা শক্তিৰ দ্বাৰা অনুমোদিত হৈ সদস্যভুক্ত হয়। উদাহৰণস্বৰূপে সংসদ হ'ল এক প্ৰতিনিধিত্বমূলক সমূহ।

৩। **এফ. এইচ. গিডিংচৰ শ্ৰেণীবিভাজন ঃ** সমাজশাস্ত্ৰবিদ গিডিংচে সামাজিক সমূহক প্ৰজননিক আৰু সংগৃহীত নামৰ দুটা ভাগত ভাগ কৰিছে।

প্ৰজননিক সমূহ হৈছে একো একোটা পৰিয়ালৰ সমূহ, যাৰ সদস্য সকলৰ মাজত তেজৰ সম্বন্ধ বা জৈৱিক বংশগতিৰ প্ৰভাৱ থাকে। এনে সমূহৰ সদস্য সকলৰ অন্তৰ্ভুক্তি অনৈচ্ছিক বিধৰ। আনহাতে সংগৃহীত সমূহ হৈছে আনুষ্ঠানিক বিধৰ। এই সমূহ ইচ্ছাকৃত আৰু পৰিকল্পিত বিধৰ য'ত ব্যক্তিসকলে নিজৰ ইচ্ছাৰে সদস্যভুক্ত হয়।

৪। **জৰ্জ হেচেনৰ শ্ৰেণী বিভাজন ঃ** হেচেনে সামাজিক সমূহক আন সমূহৰ লগত থকা সম্বন্ধৰ ভিত্তিত তিনিটা ভাগত ভাগ কৰিছে। সেয়া হ'ল অসামাজিক, মিথ্যা সামাজিক আৰু সমাজবিৰোধী।

অসামাজিক সমূহে বৃহত্তৰ সমাজ ব্যৱস্থাৰ লগত কোনো ধৰণৰ সম্বন্ধ স্থাপন নকৰাকৈ অকলে আৰু আছুতীয়াকৈ থাকে। মিথ্যা সামাজিক সমূহে সমাজ জীৱনৰ লগত সম্বন্ধ স্থাপন কৰে কিন্তু এই সমূহে কেৱল নিজৰ স্বাৰ্থ আৰু অভিপ্ৰায় পূৰণৰ বাবে তেনে কৰে। আকৌ সমাজ বিৰোধী সমূহে বৃহত্তৰ সমাজ জীৱনৰ সমূহীয়া স্বাৰ্থৰ বিৰুদ্ধে কাম কৰে।

৫। **ছৰোকিন আৰু মিলাৰৰ শ্ৰেণীবিভাজন ঃ** সামাজিক সমূহ ছৰোকিন আৰু মিলাৰ নামৰ সমাজশাস্ত্ৰবিদ দুজনে উলম্ব সমূহ আৰু আনুভূমিক সমূহ নামৰ দুটা ভাগত বিভক্ত কৰিছে।

উলম্ব সমূহৰ সদস্যাসকলৰ মাজত উচ্চ-নীচ বা ডাঙৰ সৰু সকলোৰে লগত সম্বন্ধ থাকে। উদাহৰণস্বৰূপে মন্ত্ৰীসভাৰ বিভিন্ন দপ্তৰৰ মাজত থকা সম্বন্ধই এই সমূহৰ উদাহৰণ। আনুভূমিক সমূহৰ সদস্য সকল সাধাৰণতে একে পৰ্যায়ৰ। তেওঁলোকৰ মাজত উচ্চ-নীচ বা ডাঙৰ সৰু ধাৰণা জড়িত নাথাকে।

৬। **ছামনাৰৰ শ্ৰেণীবিভাজন ঃ** ছামনাৰে সমূহক তেওঁৰ বিখ্যাত গ্ৰন্থ 'Folkways' ত আভ্যন্তৰীণ সমূহ আৰু বাহ্যিক সমূহ নামৰ দুটা ভাগত ভাগ কৰিছে।

**প্ৰশ্ন [redacted] প্ৰাথমিক সমূহ কাক বোলে? ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। ইয়াৰ প্ৰয়োজনীয়তা কি?**

**উত্তৰ ঃ প্ৰাথমিক সমূহ ঃ** সমাজতত্ত্বত কুলেৰ প্ৰাথমিক সমূহৰ ধাৰণা এক উল্লেখযোগ্য বৰঙণি বুলি উল্লেখ কৰিব পাৰি। প্ৰাথমিক সমূহ পৃথিৱীৰ সকলো সমাজতে দেখিবলৈ

Scanned with CamScanner

পোৱা যায়। এই সমূহে সামাজিকতাৰ মূল স্বৰূপ আৰু আদৰ্শক দাঙি ধৰে। ইয়াত সদস্যসকলৰ মাজত দৈহিক সান্নিধ্য থাকে, উমৈহতীয়া লক্ষ্য থাকে। প্ৰাথমিক সমূহৰ সদস্য সংখ্যা সীমিত। এই সমূহৰ মূল ভেটি হ'ল ব্যক্তিসকলৰ মাজত থকা মুখামুখি সম্বন্ধ। এই সমূহত ব্যক্তিয়ে পৰস্পৰৰ লগত কথা-বাৰ্তা পাতে, ভাবৰ আদান-প্ৰদান কৰে, পৰস্পৰৰ সুখ-দুখত অংশগ্ৰহণ কৰে আৰু গভীৰ পাৰস্পৰিক অনুভূতি আৰু অনুৰাগৰ দ্বাৰা বান্ধ খাই থাকে। ইয়াত সদস্যসকলৰ মাজত থকা আত্মীয়তাৰ অনুভূতি একান্ত আন্তৰিক আৰু স্থায়ী প্ৰকৃতিৰ।

**প্ৰাথমিক সমূহৰ বৈশিষ্ট্য :** প্ৰাথমিক সমূহৰ ধাৰণা ইয়াৰ বৈশিষ্ট্য সমূহৰ দ্বাৰা সহজে প্ৰতিফলিত হয়। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

১। **দৈহিক সান্নিধ্য :** প্ৰাথমিক সমূহৰ এটা বৈশিষ্ট্য হ'ল যে ইয়াত সমূহৰ ব্যক্তিসকলৰ মাজত দৈহিক সান্নিধ্য আছে। দৈহিক সান্নিধ্য অবিহনে ভাৱৰ আদান-প্ৰদান কৰাটো জটিল।

২। **সৰু আকাৰ :** প্ৰাথমিক সমূহ আকাৰত সৰু বাবে ব্যক্তিসকলৰ মাজত আন্তঃক্ৰিয়া সহজে স্থাপিত হয়।

৩। **স্থায়িত্ব :** প্ৰাথমিক সমূহবোৰ স্বাভাৱিকতে স্থায়ী প্ৰকৃতিৰ। সমূহত নতুন সদস্যৰ আগমন বা পুৰণি সদস্যৰ বিদায়ে ইয়াৰ স্থায়িত্ব বিলীন কৰিব নোৱাৰে।

৪। **সম্বন্ধৰ দৈৰ্ঘ্যতা :** প্ৰাথমিক সমূহৰ সদস্য সকলৰ বাবে সম্বন্ধৰ দৈৰ্ঘ্যতা অতি প্ৰয়োজনীয়। ভাৱৰ আদান-প্ৰদান আৰু মুখামুখি সম্বন্ধই সমূহৰ সদস্যসকলৰ মাজত আন্তৰিকতা বৃদ্ধি কৰে।

৫। **উমৈহতীয়া লক্ষ্য :** প্ৰাথমিক সমূহৰ সদস্য সকলৰ লক্ষ্য-উদ্দেশ্য উমৈহতীয়া প্ৰকৃতিৰ। উদাহৰণস্বৰূপে প্ৰাথমিক সমূহ হিচাপে পৰিয়ালৰ কোনো এজন সদস্যৰ সুখ বা দুখত গোটেই পৰিয়ালটোৱে সমভাগী হয় আৰু সকলো সদস্যই একে উদ্দেশ্য আগত ৰাখি কাৰ্য সম্পাদন কৰে।

৬। **সম্বন্ধৰ সীমাবদ্ধতা :** ব্যক্তিগত আগ্ৰহৰ ভিত্তিত প্ৰাথমিক সদস্য অন্তৰ্ভুক্ত কৰিব নোৱাৰি। সম্বন্ধ সমূহ সাধাৰণতে সীমিত প্ৰকৃতিৰ।

৭। **স্বত সম্বন্ধ :** প্ৰাথমিক সমূহৰ সম্বন্ধবোৰ স্বতঃস্ফূৰ্ত প্ৰকৃতিৰ। সদস্যসকলৰ মাজত কোনো ধৰণৰ বাধ্যবাধকতা বা চাপ নাথাকে। স্বতঃস্ফূৰ্ত ভাৱেই প্ৰতিজন সদস্যই ইয়াত উদ্দেশ্য পূৰণৰ বাবে মিলিত হয়।

৮। **ব্যক্তিগত সম্বন্ধ :** প্ৰাথমিক সমূহৰ সম্বন্ধ জৈৱিক আৰু ব্যক্তিগত প্ৰকৃতিৰ। সেইবাবে ইয়াত এজন সদস্যৰ অনুপস্থিতি আন এজন সদস্যই পূৰণ কৰিব নোৱাৰে। এই সমূহৰ সম্বন্ধবোৰ স্থায়ী আৰু ব্যক্তিগত।

**প্ৰাথমিক সমূহৰ প্ৰয়োজনীয়তা—**

(১) **সামাজিকৰণৰ ভূমিকা :** ব্যক্তিক সামাজিকৰণ কৰি তোলাৰ ক্ষেত্ৰত প্ৰাথমিক সমূহৰ ভূমিকা অপৰিসীম। প্ৰাথমিক সমূহৰ বিভিন্ন সংস্থা, যেনে— পৰিয়াল, ওচৰ

Scanned with CamScanner

চুবুৰীয়া, বন্ধুবৰ্গ, শিক্ষানুষ্ঠান আদিয়ে ব্যক্তিক সামাজিক জীৱনৰ বাবে প্ৰয়োজনীয় বিভিন্ন নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, ধৰ্মীয় বিশ্বাস, সামাজিক আদৰ্শৰ বিষয়ে জ্ঞান দিয়ে। এই সমূহে এজন ব্যক্তিৰ প্ৰবৃত্তিৰ বিকাশ সাধন কৰে আৰু ব্যক্তিক সামাজিক জীৱন-যাপন কৰিবৰ বাবে প্ৰস্তুত কৰি তোলে।

**(২) ব্যক্তিত্বৰ বিকাশ ঃ** ব্যক্তিৰ সৰ্বাত্মক ব্যক্তিত্বৰ বিকাশৰ ক্ষেত্ৰতো প্ৰাথমিক সমূহ অপৰিহাৰ্য। ব্যক্তিত্ব বিকাশৰ মৌলিক শিক্ষা দৰাচলতে শিশুৱে প্ৰাথমিক সমূহৰ পৰাই লাভ কৰে। এই সমূহে ব্যক্তিক মৰম-চেনেহ, ন্যায়, অন্যায়, ভাল-বেয়া, উচিত-অনুচিত আদিৰ জ্ঞান দিয়ে আৰু এই জ্ঞানৰ জৰিয়তে ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ বিকাশ আৰু প্ৰকাশ কৰিব পাৰে।

**(৩) মনোবৈজ্ঞানিক প্ৰয়োজন পূৰণ ঃ** প্ৰাথমিক সমূহৰ বিভিন্ন সংগঠনবোৰৰ পৰা ব্যক্তিয়ে মানসিক সন্তুষ্টি আৰু নিৰাপত্তা লাভ কৰে। বিভিন্ন লোকৰ মাজত হোৱা ভাৱ-বিনিময়, কথা-বতৰা আদিয়ে মানুহৰ মাজত ঘনিষ্ঠতা বৃদ্ধি কৰে আৰু উমৈহতীয়া জীৱন-যাপন কৰে। ইয়াৰ উপৰিও সমূহৰ কোনো ব্যক্তিৰ সুখ-দুখৰ সময়তো মানসিক সহায়েৰে ব্যক্তিক সংগ দিয়ে।

**(৪) একতা আৰু সংহতি প্ৰতিষ্ঠা ঃ** প্ৰাথমিক সমূহে সদস্যসকলৰ মাজত একতা আৰু সংহতিও প্ৰতিষ্ঠা কৰাত সহায় কৰে। সদস্যসকলৰ মাজত থকা প্ৰত্যক্ষ সম্বন্ধ আৰু দৈহিক উপস্থিতিয়ে একতা সৃষ্টিত সহায় কৰে। একতা আৰু সংহতি প্ৰতিষ্ঠাৰ জৰিয়তে সদস্য সকলে তেওঁলোকৰ শাৰিৰীক আৰু মানসিক অভাৱ পূৰণ কৰিব পাৰে। যিকোনো সংকটৰ মুখা-মুখি হ'বৰ বাবে তেওঁলোকে সাহস পায়।

**(৫) সমাজৰ অভাৱ পূৰণ ঃ** প্ৰাথমিক সমূহে ব্যক্তিসকলৰ সমাজৰ অভাৱ পূৰণ কৰাতো সহায় কৰে। দয়া, মৰম, শৃংখলা, শান্তি, সহনশীলতা, পাৰস্পৰিক সহায়, ত্যাগৰ মনোভাৱ আদি বিষয়ে জ্ঞান দি সমূহে সমাজখন বিকশাই তুলিব পাৰে। অৰ্থাৎ গণতান্ত্ৰিক ভাৱধাৰাৰ বিকাশৰ ক্ষেত্ৰতো প্ৰাথমিক সমূহে সহায় কৰে।

**প্ৰশ্ন [redacted] মাধ্যমিক সমূহ কি? ইয়াৰ বৈশিষ্ট্যবোৰ কি কি? মাধ্যমিক সমূহৰ প্ৰয়োজনীয়তা বৰ্ণনা কৰা।**

**উত্তৰঃ** প্ৰাথমিক সমূহৰ বিপৰীত অৱস্থাই হৈছে মাধ্যমিক সমূহ। মাধ্যমিক সমূহ হৈছে আকাৰত ডাঙৰ; যেনে— চহৰ, ধৰ্মীয় অনুষ্ঠান, ৰাজনৈতিক দল, শ্ৰমিক দল, বিদ্যালয় এখনৰ ছাত্ৰৰ গোট আদি। মাধ্যমিক সমূহত সদস্য সকলৰ মাজত পোনপটীয়াকৈ কোনো সম্বন্ধ নাথাকে। কেৱল কোনো বিশেষ মতবাদ, আদৰ্শ বা লক্ষ্যৰ মাধ্যমেদি সদস্যসকলে পৰোক্ষভাৱে ভাৱৰ আদান-প্ৰদান কৰে আৰু একোটা সমূহৰ সদস্য বুলি অনুভৱ কৰে। প্ৰাথমিক সমূহৰ দৰে মাধ্যমিক সমূহৰ ভেঁটি যথেষ্ট সুদৃঢ় নহয়। এই সমূহত

Scanned with CamScanner

ব্যক্তি চুক্তি সাপেক্ষভাৱেহে অন্তৰ্ভুক্ত হয় আৰু তেনে চুক্তি মানি চলি থকালৈকেহে সমূহৰ সদস্যৰূপে বৰ্তি থাকে। বহন অৰ্থত এখন দেশৰ নাগৰিক সকলক এই সমূহৰ অন্তৰ্ভুক্ত কৰিব পাৰি।

**মাধ্যমিক সমূহৰ বৈশিষ্ট ঃ**

**(১) ডাঙৰ আকাৰ ঃ** মাধ্যমিক সমূহ আকাৰত ডাঙৰ। এই সমূহ বিশ্বত ব্যাপী আছে। যেনে ৰেডক্ৰছ ছ'চাইটিৰ সদস্য সকল সমগ্ৰ বিশ্বতে বিস্তাৰিত হৈ আছে। হাজাৰ হাজাৰ সদস্যৰে এই সমূহ গঠিত হয়।

**(২) ঐচ্ছিক সদস্যপদ ঃ** বহুসংখ্যক মাধ্যমিক সমূহৰে সদস্যপদ বাধ্যতামূলক নহয়, এই সমূহ ঐচ্ছিক বিধৰ। ব্যক্তিৰ ইচ্ছাৰ ওপৰত ই নিৰ্ভৰশীল।

**(৩) সক্ৰিয় আৰু নিষ্ক্ৰিয় সদস্য ঃ** মাধ্যমিক সমূহৰ সদস্য সক্ৰিয় আৰু নিষ্ক্ৰিয় দুই ধৰণেৰে হ'ব পাৰে। মুখা মুখি বা ওচৰ সম্বন্ধ নথকা বাবে সক্ৰিয় সদস্যৰ লগতে নিষ্ক্ৰিয় সদস্য সকলো বৰ্তি থাকে।

**(৪) আনুষ্ঠানিক নিয়ম ঃ** মাধ্যমিক সমূহৰ গঠনৰ নিৰ্দিষ্ট লক্ষ্য উদ্দেশ্য থাকে। ইয়াৰ সদস্যসকলে আনুষ্ঠানিক নীতি-নিয়মৰ মাজেৰে পৰিচালিত হয়। এই নীতি-নিয়ম সমূহ প্ৰায়ে লিখিতভাৱে থাকে।

**(৫) সদস্যৰ অৱস্থিতি ভূমিকাৰ লগত সম্বন্ধি ঃ** মাধ্যমিক সমূহৰ সদস্যৰ অৱস্থিতি ভূমিকাৰ লগত জড়িত, পদাধিকাৰীৰ লগত নহয়।

**(৬) পৰোক্ষ যোগাযোগ ঃ** মাধ্যমিক সমূহৰ যোগাযোগ সাধাৰণতে পৰোক্ষবিধৰ। বিভিন্ন ধৰণৰ জন সংযোগৰ মাধ্যম যেনে— ৰেডিঅ', টিভি, টেলিফোন, বাতৰি কাকত, কথাছবি আদিৰ জৰিয়তে ইয়াত সম্পৰ্ক ৰক্ষা হয়।

**মাধ্যমিক সমূহৰ প্ৰয়োজনীয়তা ঃ** বৰ্তমান সময়ত মাধ্যমিক সমূহৰ গুৰুত্ব বৃদ্ধি পাইছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি, যাতায়াত, যোগাযোগ-ব্যৱস্থাৰ সুবিধাৰ ফলত মানুহৰ মনৰ ধাৰণাৰ পৰিৱৰ্তন হৈছে। পৰিৱৰ্তিত পৰিৱেশ আৰু পৰিস্থিতিত এই সমূহৰ গুৰুত্ব বৃদ্ধি পাইছে। মানুহৰ সামাজিক জীৱনত মাধ্যমিক সমূহৰ প্ৰয়োজনীয়তা তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

**(১) ব্যক্তিত্বৰ বিকাশ ঃ** মাধ্যমিক সমূহে সদস্য সকলৰ ব্যক্তিত্বৰ বিকাশৰ বাবে বিভিন্ন সুযোগ-সুবিধা প্ৰদান কৰিছে। বৰ্তমান সময়ত মানুহে গ্ৰহণ কৰা বৃত্তিসমূহৰ ক্ষেত্ৰত নতুনত্ব দেখিবলৈ পোৱা যায়; যিবোৰ ব্যক্তিত্বৰ বিকাশৰ বাবে সহায়ক স্বৰূপ।

**(২) কৰ্ম নিপুণতা বৃদ্ধি ঃ** মানুহৰ কৰ্মনিপুণতা বৃদ্ধিৰ ক্ষেত্ৰতো মাধ্যমিক সমূহে অৰিহণা যোগায়। মাধ্যমিক সমূহত শ্ৰমৰ বিভাজন আৰু বিশেষীকৰণৰ ওপৰত গুৰুত্ব দিয়া হয়। এই সমূহত মানুহৰ ব্যক্তিগত ভাৱ- অনুভূতিতকৈ কৰ্মৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। ফলত ব্যক্তি সকলৰ কৰ্ম নিপুণতা বৃদ্ধি হয়।

Scanned with CamScanner

**(৩) দৃষ্টিভংগীৰ সলনি ঃ** মাধ্যমিক সমূহত ব্যক্তি সকলে বহল দৃষ্টিভংগীৰে সকলো সমস্যা সমাধান কৰিব লাগে বাবে ইয়াত ব্যক্তিসকলে তেওঁলোকৰ ঠেক আৰু সংকীৰ্ণ মনোবৃত্তি সমূহ সলনি কৰিব লগা হয়।

**(৪) সুযোগ সুবিধাৰ মাধ্যম ঃ** মাধ্যমিক সমূহে বিভিন্ন সুযোগ সুবিধাৰ দুৱাৰ মুকলি কৰে। ব্যক্তিৰ ব্যক্তিগত সামৰ্থ্যৰ বিকাশৰ বাবে মাধ্যমিক সমূহে সুবিধা প্ৰদান কৰে।

**প্ৰশ্ন ঃ [redacted] প্ৰাথমিক আৰু মাধ্যমিক সমূহৰ পাৰ্থক্য নিৰ্ণয় কৰা।**

**উত্তৰ ঃ** কুলেৰ দ্বাৰা বিভাজিত প্ৰাথমিক আৰু মাধ্যমিক সমূহৰ মাজত বিভিন্ন পাৰ্থক্য দেখিবলৈ পোৱা যায়। এই দুই প্ৰকাৰৰ সমূহৰ মাজত থকা পাৰ্থক্যবোৰ তলত আলোচনা কৰা হ'ল—

| | প্ৰাথমিক সমূহ | মাধ্যমিকসমূহ |
|---|---|---|
| ১। | প্ৰাথমিক সমূহ সম্বন্ধ প্ৰণোদিত এক গোট। | মাধ্যমিক সমূহ হ'ল লক্ষ্য প্ৰণোদিত এক গোট। |
| ২। | দৈহিক সান্নিধ্য হ'ল প্ৰাথমিক সমূহৰ এক গুৰুত্বপূৰ্ণ দিশ। | মাধ্যমিক সমূহত দৈহিক সান্নিধ্য সাধাৰণতে দেখিবলৈ পোৱা নাযায়। |
| ৩। | প্ৰাথমিক সমূহ আকাৰত সৰু সৰু আৰু সদস্য সংখ্যা কম। | মাধ্যমিক সমূহ আকাৰত ডাঙৰ আৰু সদস্য সংখ্যাও বহুত বেছি। |
| ৪। | প্ৰাথমিক সমূহত সদস্য সকলৰ মাজত প্ৰত্যক্ষ যোগাযোগ সম্ভৱ, কিয়নো তেওঁলোকে প্ৰায়ে একেটা ভৌগোলিক এলেকাত বসবাস কৰে। | মাধ্যমিকসমূহৰ সদস্যসকলৰ মাজত প্ৰত্যক্ষ যোগাযোগ সম্ভৱ নহয়। বিভিন্ন জনসংযোগ মাধ্যমৰ সহায়ত যোগাযোগ ৰক্ষা কৰাৰ প্ৰচেষ্টা চলোৱা হয়। |
| ৫। | প্ৰাথমিক সমূহত সদস্যসকলৰ মাজত প্ৰত্যক্ষ সহযোগিতাৰ ব্যৱস্থা থাকে। | মাধ্যমিকসমূহৰ প্ৰত্যক্ষ সহায়-সহযোগ দেখিবলৈ পোৱা নাযায়। |
| ৬। | প্ৰাথমিক সমূহে সদস্যসকলৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। | মাধ্যমিকসমূহত সদস্যসকলৰ সম্পূৰ্ণ ব্যক্তিত্বৰ বিকাত গুৰুত্ব নিদি সামাজিক দিশৰ বিকাশত বেছি গুৰুত্ব আৰোপ কৰে। |
| ৭। | প্ৰাথমিকসমূহ তুলনামূলকৰভাৱে স্থায়ী। | প্ৰাথমিক সমূহৰ তুলনাত মাধ্যমিক সমূহৰ স্থায়িত্ব তুলনামূলকভাৱে কম। |
| ৮। | প্ৰাথমিকসমূহৰ সদস্যসকলৰ মৰ্যাদা আৰু তেওঁলোকৰ জন্মগত আৰু ব্যক্তিগত গুণৰ ওপৰত নিৰ্ভৰ কৰে। | মাধ্যমিক সমূহত সদস্য সকলৰ পদমৰ্যদা তেওঁলোকৰ ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰে। |

Scanned with CamScanner

| | |
|---|---|
| ৯। প্ৰাথমিক সমূহৰ সদস্যসকলৰ কোনো নিৰ্দিষ্ট লক্ষ্য উদ্দেশ্য নাথাকে। এইসমূহত ব্যক্তিৰ ব্যক্তিগত উদ্দেশ্যই প্ৰাধান্য পায়। | মাধ্যমিক সমূহত সদস্য সকলে কিছুমান নিৰ্দিষ্ট লক্ষ্য উদ্দেশ্য আগত ৰাখি কাৰ্যত আগবাঢ়ে। |
| ১০। প্ৰাথমিকসমূহবোৰৰ গঠন অনানুষ্ঠানিক বিধৰ। | মাধ্যমিক সমূহৰ গঠন আনুষ্ঠানিক। সেই সমূহত সদস্য সকলে বিভিন্ন নীতি-নিয়ম পালন কৰিব লাগে। |

**প্ৰশ্ন ১৬। প্ৰাথমিক আৰু মাধ্যমিক দলৰ ওপৰত বহলাই আলোচনা কৰা।**

**উত্তৰ ঃ** সামাজিক চিন্তাবিদ সকলে দলৰ শ্ৰেণী বিভাজন বিভিন্ন প্ৰকাৰে কৰিছে। তাৰ ভিতৰত আমি বিখ্যাত সমাজবিদ 'কুলেইৰ' শ্ৰেণী বিভাজন উল্লেখ কৰিব পাৰো। তেওঁ দলক সাধাৰণতে 'প্ৰাথমিক দল' আৰু 'মাধ্যমিক দল' হিচাপে বিভাজন কৰিছে। তেওঁৰ প্ৰাথমিক দলৰ ধাৰণাটো সমাজিবিদ 'চামনাৰৰ' আভ্যন্তৰীণ দলৰ ধাৰণাটোৰ লগত একে।

**প্ৰাথমিক দল ঃ** সকলো সামাজিক সংগঠনৰ ভিতৰত প্ৰাথমিক দলটো এটা পাৰমাণৱিক দল। এইটো এটা সৰু দল, ইয়াৰ মাধ্যমত অলপ সংখ্যক সদস্যই তেওঁলোকৰ মনৰ ভাব আদান-প্ৰদান কৰে। তেওঁলোকে মুখা-মুখিকৈ সদায় লগে লগে ইজনে সিজনক সহায় কৰে, সাধাৰণ প্ৰশ্নসমূহ একগোট হৈ আলোচনা হয়। ইজনে-সিজনে চিন্তিত ভাৱাপন্ন হৈ বসবাস কৰে।

প্ৰাথমিক দলৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই ভূমিকাৰ দ্বাৰা ইয়াৰ সদস্য সকলৰ মাজত নিবিড় অনুসংগ স্থাপন হয় আৰু সমন্বয় গঢ়ি উঠে। এই ক্ষেত্ৰত আমি শিশুসকলৰ খেলৰ দল আৰু পৰিয়ালৰ কথা উল্লেখ কৰিব পাৰো। সমাজবিদ 'কুলেই' তেওঁৰ সংক্ৰান্ত প্ৰাথমিক দলৰ বিষয়ে নিশ্চিতভাৱে মত পোষণ কৰিছে যে সামাজিক দল হ'ব লাগিব 'মুখামুখি অনুসংগ', 'সহানুভূতি আৰু পাৰস্পৰিক চিনাক্তকৰণ' আৰু 'আমি আনুভূমিক' ভাবাপন্নৰে প্ৰভাৱান্বিত।

**প্ৰাথমিক দলৰ বৈশিষ্ট্যসমূহ ঃ** প্ৰাথমিক দলৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে। তাৰ ভিতৰত মূল বৈশিষ্ট্য দুটা হ'ল 'সহৃদয়পূৰ্ণ অনুভূতি' আৰু 'নিবিড় চিনাক্তকৰণ'। এই গুণদুটা প্ৰায়ভাগ দলতে থাকে যদিও কিছুমান স্থায়ী দলত বেছিকৈ পৰিলক্ষিত হয়। আমি প্ৰাথমিক দলৰ মাধ্যমত আমাৰ সদস্যসকলৰ লগত চিধা-চিধি সমন্বয় গঢ়ি তোলো আৰু তেওঁলোকৰ লগত আমাৰ বন্ধুত্ব নিশ্চিতভাৱে ব্যক্তিগত। বন্ধুত্বপূৰ্ণ সহৃদয়তা গঢ়ি উঠে তলত উল্লেখ কৰা দিশ সমূহৰ মাধ্যমত। প্ৰথমতে, আমি এই ক্ষেত্ৰত শাৰীৰিক সম্বন্ধয়ৰ সান্নিধ্যৰ কথা উল্লেখ কৰিব পাৰো। ইয়াৰ পৰা বুজা যায় যে মানুহৰ মাজত থকা সম্বন্ধ নিবিড় হোৱা দৰ্কাৰ। কাৰণ নিবিড় সম্বন্ধই সহৃদয়পূৰ্ণ ভাব সৃষ্টি কৰে। ইজনে-সিজনক চিনি পোৱা আৰু কথাপকথন প্ৰণালী, মতামত আৰু আদৰ্শ ইয়াৰ দ্বাৰা আদান-প্ৰদান কৰাত সহজ হৈ পৰে। প্ৰাথমিক দলৰ ব্যৱস্থাপনাৰ ই এটা প্ৰয়োজনীয় বিশিষ্ট অংশ

Scanned with CamScanner

নহয়। দ্বিতীয়তে, আমি এই ক্ষেত্রত সৰু আকাৰৰ কথা উল্লেখ কৰিব পাৰো। বন্ধুত্বতা বেছি সহৃদয়পূৰ্ণ আৰু ব্যক্তিগত হৈ উঠে সৰু দলবোৰৰ মাজত। সৰু দলবোৰৰ সদস্য সকলে ইজনৰ লগত সিজনে সহজে মিলিব পাৰে। ইজনৰ মনৰ কথা সিজনক ক'ব পাৰে। দলটোত বেছি সংখ্যক ব্যক্তি থাকিলে এইটো সম্ভৱ হৈ নুঠে।

তৃতীয়তে, আমি প্ৰাথমিক দলৰ স্থিৰতাৰ কথা গুৰুত্ব দিব পাৰো। বন্ধুত্বৰ সহৃদয়তা উন্নত কৰিবলৈ হ'লে প্ৰাথমিক দলৰ কিছুক্ষেত্ৰত স্থিৰতা থাকিব লাগিব।

চতুৰ্থতে, আমি প্ৰাথমিক দলৰ বৈশিষ্ট্যৰ ক্ষেত্ৰত পশ্চাদভূমিৰ সাদৃশ্যতাৰ কথা উল্লেখ কৰিব পাৰো। প্ৰাথমিক দলৰ সদস্যসকলৰ মাজত অকল সহৃদয়তাৰ ভাব গঢ়ি উঠিলেই নহ'ব বা বন্ধুত্বৰ নিবিড়তা আহিলেও নহ'ব, সদস্য সকল সাম্ভাৱ্যভাৱে সমানে 'অভিজ্ঞতা সম্পন্ন আৰু বুদ্ধি-সম্পন্ন' হ'ব লাগিব।

পঞ্চমতে, এই ক্ষেত্ৰত আত্মস্বাৰ্থৰ সীমিতকৰণৰ কথা উল্লেখ কৰিব পাৰো। যদিও দলৰ সদস্য সকলে প্ৰথমতে নিজৰ স্বাৰ্থ পূৰণ কৰাৰ বাবেই সদস্যভুক্ত হয় কিন্তু শেষত নিজৰ স্বাৰ্থ পৰিহাৰ কৰি সামূহিক স্বাৰ্থৰ ক্ষেত্ৰতহে অধিক গুৰুত্ব দিয়ে। সমন্বয়ৰ মাজেৰে কাম কৰি যাবলৈ তেওঁলোক দৃঢ়সংকল্প হয়।

শেষত আমি ক'ব পাৰো যে প্ৰাথমিক দলৰ বৈশিষ্ট্যতা পুনৰুদ্ৰেক হয় আংশিক স্বাৰ্থৰ তীব্ৰতাৰ ওপৰত ভিত্তি কৰি। প্ৰাথমিক দলত সামূহিক স্বাৰ্থক আংশিকভাৱে ভগাই লোৱা হয় আৰু তাৰ দ্বাৰা নতুন বিশেষত্ব, নতুন মূল্যবোধ আৰু নতুন গুৰুত্বতা আহৰণ কৰা হয়। প্ৰত্যেক জন সদস্যই সামূহিক স্বাৰ্থ পূৰণ কৰাৰ বাবে ভাগ ভাগ কৰি স্বাৰ্থ-সমূহ ভগাই লয় আৰু সামূহিক মনোভাৱ গঢ়ি তোলে। এজন ব্যক্তিৰ এটা প্ৰাথমিক দলত থকা ভূমিকা অতি গুৰুত্বপূৰ্ণ।

**মাধ্যমিক দল ঃ** আধুনিক সমাজৰ বিভিন্ন দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে মাধ্যমিক দলৰ এটা বিশেষত্ব আছে। মাধ্যমিক দল হ'ল এটা ডাঙৰ সংগঠন যিটোত নগৰ, জাতি, ৰাষ্ট্ৰ, ৰাজনৈতিক দল, পৰিষদ, নিগম, শ্ৰমিক সংগঠন আন্তৰ্জাতিক চুক্তি আদি জড়িত হৈ পৰে। এই দলত মানুহৰ ইজনৰ লগত সিজনৰ মুখা-মুখি বা দেখা-দেখি নহ'বও পাৰে। মানুহৰ যোগাযোগ ইয়াৰ মাধ্যমত সম্পূৰ্ণভাৱে নিৰ্ণয় কৰিব নোৱাৰি। ইয়াৰ পৰিসৰ বহুত বহল হোৱা হেতুকে চিধাচিধিভাৱে সদস্য সকলে ইজনে-সিজনৰ লগত যোগসূত্ৰ স্থাপন কৰিব নোৱাৰে।

**মাধ্যমিক দলৰ বৈশিষ্ট্য সমূহ ঃ** প্ৰাথমিক দলৰ নিচিনাকৈ মাধ্যমিক দলৰ কেইটিমান বিশেষ বৈশিষ্ট্য আছে। তাৰ ভিতৰত তলত উল্লেখ কৰা কেইটা মান বিশেষভাৱে উল্লেখযোগ্য। প্ৰথমতে, আমি বৈশিষ্ট্য হিচাপে ঔপচাৰিক আৰু অব্যক্তিক সম্বন্ধৰ কথা উল্লেখ কৰিব পাৰো। মাধ্যমিক দলৰ মাজত থকা সম্বন্ধ হ'ল ঔপচাৰিক আৰু অব্যক্তিক ধৰণৰ। ইয়াত সদস্যসকলে মুখামুখিভাৱে যোগাযোগ হ'ব নালাগে। ই সদস্যসকলৰ ওপৰত প্ৰাথমিক প্ৰভাৱো নেপেলায়। তেওঁলোকে তেওঁলোকৰ নিজৰ কৰ্তব্য পালন কৰে,

Scanned with CamScanner

নির্দেশসমূহ কার্যত পৰিণত কৰে, তেওঁলোকৰ দিব লগীয়া মাচুল খিনি নিয়মমতে দিয়ে, ইজনে-সিজনৰ লগত দেখা-দেখি নহয়।

দ্বিতীয়তে, মাধ্যমিক দলৰ এটা মূল বৈশিষ্ট্য হ'ল ইয়াৰ বহল পৰিসৰ। এই দলটো সমগ্ৰ বিশ্বজুৰি থাকিব পাৰে। যেনেকৈ 'ৰেডক্ৰছ' ছোচাইটি 'স্কাউট আৰু গাইড'ৰ দৰে সংগঠনবোৰ গোটেই বিশ্বজোৰা সংগঠন। ইয়াৰ সদস্য অগণন। পৃথিৱীৰ সকলো পিনে ইয়াৰ সদস্য সিঁচৰতি হৈ আছে।

তৃতীয়তে, মাধ্যমিক দলৰ আন এটি বৈশিষ্ট্য হ'ল ইয়াত সদস্যসকল মনোনয়ন কৰিব পাৰি। বেছিভাগ মাধ্যমিক দলৰে সদস্যভুক্তি বাধ্যতামূলক নহয়। আন্তৰ্জাতিক ৰটাৰী সংঘ, ৰেডক্ৰছ ছোচাইটি বা স্কাউটছ আৰু গাইড্ছ সদস্য হোৱাটো বিশেষ প্ৰয়োজন নহয়। কাৰোবাৰ ইচ্ছা হ'লে ইয়াৰ সদস্য হ'ব পাৰে, নহ'লে নহ'বও পাৰে।

চতুৰ্থতে, মাধ্যমিক দলত সাধাৰণতে দুবিধ সদস্য থাকে। এবিধ হ'ল সক্ৰিয় সদস্য, আনবিধ হ'ল নিষ্ক্ৰিয় সদস্য। যিহেতু মাধ্যমিক দলৰ পৰিসৰ বহুত বহল — ইয়াৰ এজন সদস্যই আন এজন সদস্যক কেতিয়াও লগ নাপাব পাৰে আৰু ফলত কিছুমান সদস্য হৈ পৰে সক্ৰিয় আৰু কিছুমান সদস্য হৈ পৰে নিষ্ক্ৰিয়।

পঞ্চমতে, মাধ্যমিক দলৰ সদস্য সকলৰ সম্বন্ধ পৰোক্ষ। কেতিয়াবাহে সদস্য সকলৰ দেখা দেখি হয়। তেওঁলোক ৰাষ্ট্ৰখনৰ য'তে-ত'তে সিঁচৰতি হৈ পৰি থাকে। দেশজোৰা, ৰাষ্ট্ৰজোৰা অথবা বিশ্বজোৰা সংগঠন হ'লে সংগঠনৰ দীঘ আৰু প্ৰস্থ অনুযায়ী সদস্য সকল সিঁচৰতি হয়।

Scanned with CamScanner